# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-10-2024
**Time :** 1205 Hrs.

## *Assamese Bulletin*

০০০০০০০০

বিজয়া দশমী উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজিয়েই দেৱী দুৰ্গাক বিসৰ্জন দিব যদিও কোনো কোনো ঠাইত কাইলৈও দেৱী প্ৰতিমাসমূহ বিসৰ্জন দিয়া হ'ব। উল্লেখযোগ্য যে, এইবেলি শিৱসাগৰৰ দেৱীদ'লত ব্যাপক আয়োজনেৰে দুৰ্গা পূজা অনুষ্ঠিত কৰা হয়। জনবিশ্বাস আৰু আস্থাৰ প্ৰতীক দেৱীদ'লৰ দুৰ্গা পূজাই যুগ যুগ ধৰি সম্প্ৰীতিৰ বাৰ্তা বহন কৰি আহিছে।

শাৰদীয় দুৰ্গা পূজা উপলক্ষে সমগ্ৰ ৰাজ্যৰ লগতে কৰিমগঞ্জ জিলাৰ পূজা মণ্ডপো সৰ্বমংগলময়ী, সিদ্ধিদাত্ৰী মহিষ মৰ্দিনী দেৱী দুৰ্গাৰ বন্দনা আৰু পুৰোহিতৰ মন্ত্ৰোচাৰণ, ঢাক, ঢোল, শংখ, ঘণ্টা, ডবা, কাহৰ শব্দৰ মুখৰ হৈ পৰিছে।

ইপিনে বাক্সা জিলাৰ ছিকাদৌল বাথৌ মন্দিৰ প্ৰাংগণত সম্পূৰ্ণ বড়ো ৰীতি-নীতিৰে দুৰ্গা পূজা পালন কৰা হয়।

ইফালে, হাইলাকান্দি জিলাতো চাৰে তিনিশখন দুৰ্গাপূজাৰ আয়োজন কৰা হয়। কাইলৈ জিলাখনৰ দেৱী প্ৰতিমাসমূহ ধলেশ্বৰী নদীত বিসৰ্জন দিয়া হ'ব।

ধুবুৰী জিলাৰ বিভিন্ন প্ৰান্ততো ব্যাপক উৎসাহ-উদ্দীপনাৰে আদ্যশক্তি দেৱী দুৰ্গাৰ পূজা অনুষ্ঠিত হয়।

০০০০০০০০

শাৰদীয় দুৰ্গোৎসৱৰ আজি বিজয়া দশমী উপলক্ষে গুৱাহাটী মহানগৰ যানবাহন আৰক্ষীয়ে বাহন চলাচলৰ ক্ষেত্ৰত আজি আৰু কাইলৈ কেতবোৰ নীতি নিৰ্দেশনা জাৰি কৰিছে। সেই অনুসৰি আজি পুৱা ১০ বজাৰ পৰা প্ৰতিমা বিসৰ্জন সমাপ্ত নোহোৱালৈকে কেইটামান পথ সম্পূৰ্ণ ৰূপে সাধাৰণ জনতাৰ বাবে বন্ধ থাকিব। আনহাতে, প্ৰতিমা কঢ়িওৱা বাহন সমূহ গুৱাহাটী ক্লাবৰ পৰা এম চি পথ হৈ উচ্চ ন্যায়ালয়ৰ কাষেৰে লাচিত ঘাটলৈ যাব পাৰিব। আনহাতে, টকৌবাৰী, পল্টন বজাৰ, উলুবাৰী, ৰিহাবাৰী দিশৰ পৰা অহা বাহনসমূহ আৰ্য নগৰ-এ কে আজাদ পথ হৈ নেপালী মন্দিৰ গধূলি বজাৰ-পানবজাৰ হৈ লাচিত ঘাটত বিসৰ্জনৰ বাবে যাব পাৰিব। একেদৰে, গণেশগুৰি, দিছপুৰ, কাহিলিপাৰা আদি অঞ্চলৰ পৰা প্ৰতিমা বিসৰ্জনৰ বাবে যোৱা বাহন সমূহ আৰ জি বৰুৱা পথ, চানমাৰি, গুৱাহাটী ক্লাব হৈ লাচিত ঘাটলৈ যাব পাৰিব। এই সময়ছোৱাত সাধাৰণ যানবাহনৰ বাবে পথ কেইটা সম্পূৰ্ণ ৰূপে বন্ধ থাকিব।

ইফালে, যোৰহাট জিলাৰ আয়ুক্তগৰাকীয়ে মৰিয়নী ৰাজহ চক্ৰৰ অন্তৰ্গত সকলো বিসৰ্জনস্থলী আৰু ঘাট পৰিদৰ্শন কৰে। তেওঁ কাইলৈ সকলোকে সুকলমে দেৱী বিসৰ্জন কাৰ্য সম্পন্ন কৰিবলৈ আহ্বান জনায়।

০০০০০০০

জগতগুৰু **শ্ৰীমন্ত শংকৰদেৱৰ** ৫৭৬ সংখ্যক আৰ্বিভাৱ তিথি আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে। কোচবিহাৰৰ **মধুপুৰ** সত্ৰত **শ্ৰীমন্ত শংকৰদেৱৰ** জয়ন্তী পুৱা ৬ বজাত প্ৰভাতী কীৰ্তনেৰে শুভাৰম্ভ কৰা হয়। অসম সত্ৰ মহাসভাৰ উত্তৰ-পশ্চিম মণ্ডলৰ তৰফৰ পৰা জনোৱা অনুসৰি **শ্ৰীমন্ত শংকৰদেৱ** জয়ন্তী উপলক্ষে আজি পুৱা ভাগৱত পাঠ, আয়তিৰ নাম পৰিবেশন, ধৰ্মালোচনী সভাৰ পিছতে সন্ধিয়া বন্তি প্ৰজ্বলন কাৰ্যসূচী অনুষ্ঠিত হ'ব। ইপিনে, সত্ৰপীঠ মাজুলীত কালিৰে পৰাই গুৰুজনাৰ ৫৭৬ সংখ্যক জন্মোৎসৱ অনুষ্ঠিত হৈছে। সত্ৰ আৰু নামঘৰ সমূহৰ সমান্তৰালকৈ আঞ্চলিক ধৰ্মালোচনী সভা সমূহৰ উদ্যোগত কালিৰে পৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে গুৰুজনাৰ জয়ন্তী অনুষ্ঠিত হৈছে। উজনি মাজুলী শ্ৰীৰাম ভকতিদুৱাৰ আঞ্চলিক ধৰ্মালোচনী সভাৰ উদ্যোগত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে মুদৈবিল বৰনামঘৰত গুৰুজনাৰ জন্মোৎসৱ অনুষ্ঠিত হৈছে। প্ৰথমদিনা পুৱা ঊষা কীৰ্তন, পৰিবেশ নিকাকৰণৰ পাছত গছপুলি ৰোপন কৰা হয়। ইয়াৰ পাছতে ২১ গৰাকী বিশিষ্ট ব্যক্তিয়ে ২১খন ধৰ্মধবজা উত্তোলন কৰে। লগতে বন্তি প্ৰজ্বলন, চিত্ৰাংকন প্ৰতিযোগিতা আৰু দিহানাম প্ৰতিযোগিতাও অনুষ্ঠিত হয়।

ooooo

**মৰিগাঁও** জিলাৰ প্ৰতিটো ৰাজহ চক্ৰত অহা ১৪ অক্টোবৰৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে জিলা দিৱস উদযাপন কৰা হ'ব। সেই অনুসৰি পুৱা ৯ বজাত পতাকা উত্তোলন, শ্বহীদ তৰ্পণ আৰু বাৰে ৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰাৰ পাছতে দুপৰীয়া **অৰ্থনৈতিক পৰিৱৰ্তন বাবে মৰিগাঁও জিলাৰ বিভিন্ন সম্ভাৱনা** বিষয়ক আলোচনা চক্ৰ অনুষ্ঠিত হ'ব। বিয়লি চাৰন বিলৰ পাৰত মহিলা কবি সন্মিলন অনুৰ্ষ্ঠিত হ'ব। সন্ধিয়া জিলা পুঁথিভৰাল প্ৰেক্ষাগৃহত বলীউডৰ অভিনেতা ৰাকেশ বেদীৰ একাংকিকা নাট **মাছাজ** প্ৰদৰ্শন কৰা হ'ব। ১৫ তাৰিখে পুৱা জিলা পুঁথিভৰাল প্ৰেক্ষাগৃহত **অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত মৰিগাঁও জিলাৰ সম্ভাৱনা** বিষয়ক যুৱ সমাৰোহ অনুষ্ঠিত হ'ব। বিয়লি ৩ বজাত মতিৰাম বৰা স্কুল খেলপথাৰত মহিলাৰ প্ৰীতি ফুটবল খেল অনুষ্ঠিত হ'ব। সন্ধিয়াৰ ভাগলৈ জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ গীতৰ শৰাইৰ লগতে সাংস্কৃতিক সন্ধিয়া অনুৰ্ষ্ঠিত হ'ব। দিৱসৰ লগত সংগতি ৰাখি মৰিগাঁও জিলাৰ বিদ্যালয়সমূহত মৰিগাঁও জিলা উৎসৱে **জিলিকাব লুইতৰে পাৰ** শীৰ্ষক প্ৰাইজমানি কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰিছে।

oooooooo

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী আৰু নিউজ অন এয়াৰ এপত শুনিবলৈ পাব। শেহতীয়া বা-বাতৰিৰ বাবে আকাশবাণীৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী, এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই, ইউটিউবত এ আই আৰ নিউজ গুৱাহাটী আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

ooooo

**সমাপ্ত**